**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-03-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN
**::::::::::::::::::**

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে বাকী থকা পৰীক্ষাসমূহ পঞ্চায়ত নিৰ্বাচনৰ পাছত অনুষ্ঠিত কৰিবলৈ পৰিষদে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰশ্নকাকত ফাদিল তথা নতুনকৈ বাকী থকা পৰীক্ষাসমূহ অনুষ্ঠিত কৰাৰ সন্দৰ্ভত কালি অনুষ্ঠিত পৰিষদৰ এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত আন কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। পৰিষদৰ ভাৰপ্ৰাপ্ত পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন দাসে প্ৰকাশ কৰা মতে বাতিল হোৱা পৰীক্ষাসমূহ সম্প্ৰতি অনুষ্ঠিত কৰা নহয়। ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ সময় ঘোষণাৰ পাছতে একাদশ শ্ৰেণীৰ পৰীক্ষাৰ সময়সূচী ঘোষণা কৰা হ'ব বুলি তেওঁ সদৰি কৰিছে। ব'হাগ বিহুৰ পাছতহে বাকী থকা পৰীক্ষাসমূহ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। ইপিনে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ বাবে চি আই ডিত এটা গোচৰ ৰুজু কৰা হৈছে। এই গোচৰৰ ভিত্তিত চি আই ডিয়ে ক্ষীপ্ৰতাৰে তদন্ত আৰম্ভ কৰিছে।

ooooo

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱস কাইলৈ অসম সাহিত্য সভাই সাহিত্য দিৱস হিচাপে পালন কৰিব। সভাই কেন্দ্ৰীয়ভাৱে মৰিগাঁও জিলা সাহিত্য সভাৰ আতিথ্যত আৰু আঁহতগুৰি শতদল সাহিত্য সভাৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে আঁহতগুৰি শ্ৰীমন্ত শংকৰগুৰু কীৰ্তনঘৰত এই দিৱসৰ আয়োজন কৰিছে। এই উপলক্ষে পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত দিনৰ ভাগত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। এই সভাত মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থকাৰ কথা। মুকলি সভাখনত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বক্তৃতা আগবঢ়াব। ওদালগুৰি জিলা সাহিত্য সভাইও কাইলৈ জ্ঞানমালিনী স্বৰ্ণশাখা সাহিত্য সভা, ধোপগুৰিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে সাহিত্য দিৱস পালন কৰিব।

ooooo

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ শিৱসাগৰ জিলাৰ উদ্যোগত আৰু **সা-ধন**ৰ সহযোগত কালি জিলাখনৰ বিভিন্ন আত্মসহায়ক গোট আৰু সদস্যৰ মাজত এখন ঋণ মেলা অনুষ্ঠিত হয়। এই ঋণ মেলাত মুঠ ৫৪৬ টা আত্মসহায়ক গোটক ২২ কোটি ২০ লাখ ৪০ হাজাৰ টকা আৰু ১৩২ গৰাকী মহিলা উদ্যমীক দুই কোটি ৩ লাখ ৭৮ হাজাৰ টকাৰ ঋণৰ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। আনহাতে অনাদায় হৈ থকা ৯ টা আত্মসহায়ক গোটৰ ঋণ আদায় কৰা হয়।

ooooo

পঞ্চায়ত নিৰ্বাচন নিয়াৰিকৈ আৰু ত্ৰুটিমুক্তভাৱে অনুষ্ঠিত কৰাৰ বাবে কাছাৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত কালি এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। এই সভাত আয়ুক্ত মৃদুল যাদৱে সকলো বিষয়া-কৰ্মচাৰীকে স্বচ্ছতা আৰু ন্যায় পৰায়ণতাৰে দায়িত্ব নিৰ্বাহ কৰিবলৈ আহ্বান জনায়। তদুপৰি নিৰ্বাচনৰ সৈতে জড়িত বিভিন্ন বিষয়, প্ৰশাসনিক বিভাগসমূহৰ মাজত সমন্বয় সাধন আৰু নিৰ্বাচনী আচৰণবিধি মানি চলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। আয়ুক্ত শ্ৰী যাদৱে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি নিৰ্বাচনৰ সময়ছোৱাত কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি নোহোৱাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। সভাৰ শেষত নিৰ্বাচনী বিষয়াসকলে সৰ্বসন্মতিক্ৰমে শৃংখলিত আৰু স্বচ্ছ নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

ooooo

ইনাৰলাইন পাৰ্মিট অবিহনে অৰুণাচল প্ৰদেশত প্ৰৱেশ কৰা ৫৫৭ জন লোকক ৰাজ্যখনৰ আৰক্ষীয়ে আটক কৰিছে। অসমকে ধৰি বহিঃৰাজ্যৰ এই লোকসকলে ইনাৰলাইন পাৰ্মিট অবিহনে কৰ্মসূত্ৰে ৰাজ্যখনত প্ৰৱেশ কৰিছিল। পাপুমপাৰে জিলাৰ উপায়ুক্তৰ নিৰ্দেশ মৰ্মে কালি আৰক্ষীয়ে অভিযান চলাই অসমৰ ৪৩ জন লোকক আটক কৰে। যোৱা শুকুৰবাৰৰ পৰা ৰাজ্যখনৰ আৰক্ষীয়ে ইনাৰলাইন পাৰ্মিট অবিহনে প্ৰৱেশ কৰা লোকৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছিল।

ooooo

মৰাণত যোৱা দেওবাৰৰ পৰা চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে পঞ্চদশ বাৰ্ষিক কেন্দ্ৰীয় তৰাচিঙা বিহু অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় তৰাচিঙা বিহু স্থায়ী সমিতি আৰু উষাপুৰ মহিলা সমাজৰ উদ্যোগত আয়োজিত এই অনুষ্ঠান উপলক্ষে পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণৰ পাছত তৰাগছ তুলিবলৈ সাংস্কৃতিক দলৰ দোলাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে থাপনাত তৰা গছ স্থাপন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে বাণিজ্য মেলা, জনগোষ্ঠীয় নৃত্য আৰু বিহু প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হয়। এই উপলক্ষে আয়োজিত মুকলি সভাত তৰাচিঙা শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। আজি যুৱ সমাৰোহ আৰু বিহুৱতী প্ৰতিযোগিতা আৰু কাইলৈ জাতীয় সাজ-পাৰ, বিহু হুঁচৰি, জেং বিহু আৰু মুকলি সভা অনুষ্ঠিত হ'ব।

ooooo

হোজাই জিলাৰ লংকাৰ বাইপাছত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হয়। আমাৰ সংবাদদাতাই জনোৱা মতে ৰাষ্ট্ৰীয় ঘাইপথেৰে মটৰ চাইকেলেৰে আহি থকা লোক এজনে নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইডাৰত খুন্দা মৰাৰ ফলত তেওঁৰ মৃত্যু হয়। লোকজন নখুঁটিৰ ২ নম্বৰ চাৰ্কেবস্তি নিবাসী ৰমজান আলী বুলি জানিব পৰা গৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ পাঞ্জাৱ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত